পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭

Registered No.-768/97

অসম ৰাজপত্ৰ

सत्यमेव जयते

# THE ASSAM GAZETTE

অসাধাৰণ

EXTRAORDINARY

প্ৰাপ্ত কৰ্তৃত্বৰ দ্বাৰা প্ৰকাশিত

PUBLISHED BY THE AUTHORITY

নং 270 দিশপুৰ, শুক্ৰবাৰ, 9 মে', 2025, 19 ব'হাগ, 1947 (শক)

No. 270 Dispur, Friday, 9th May, 2025, 19th Vaisakha 1947 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

LEGISLATIVE DEPARTMENT : : : LEGISLATIVE BRANCH

## NOTIFICATION

The 9th May, 2025

**No. LGL.27/2025/44.**– The following Act of the Assam Legislative Assembly which received the assent of the Governor of Assam on 6th May, 2025 is hereby published for general information.

## ASSAM ACT NO. VI OF 2025

**(Received the assent of the Hon'ble Governor of Assam on 6th May, 2025)**

## THE ASSAM VETERINARY AND FISHERY UNIVERSITY (AMENDMENT) ACT, 2025



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 01:25 PM

3738884/2025/PARL.AFFAIRS-PAD



# AN
# ACT

to amend the Assam Veterinary and Fishery University Act, 2024.

Preamble

Whereas it is expedient to amend the Assam Veterinary and Fishery University Act, 2024 hereinafter referred to as the principal Act, in the manner hereinafter appearing; Act No.XXI of 2024

It is hereby enacted in the Seventy-sixth Year of the Republic of India, as follows:—

Short title and commencement

1. (1) This Act may be called the Assam Veterinary and Fishery University (Amendment) Act, 2025.

(2) It shall have the like extent as the principal Act.

(3) It shall come into force at once.

Amendment of section 2

2. In the principal Act, in section 2,

(i) after clause (a), the following new clause shall be inserted, namely:

"(aa) "Advisory Board" means the board constituted under section 13;"

(ii) after clause (d), the following new clause shall be inserted, namely:

"(dd) "Committee means the committee constituted under section 50 of the Act.

(iii) for clause (e), the following shall be substituted, namely:–

"(e) "constituent colleges" means colleges under the direct management of the University;"

(iv) clause (n) shall be deleted.

Amendment of section 11

3. In the principal Act. in section 11,

(i) for sub-section (1), the following shall be substituted, namely:

(1) Appointment of the Vice Chancellor shall be made as per section 13. The Chancellor shall nominate the member of the Advisory Board from the field of veterinary, animal husbandry , dairy and fishery sciences.

(ii) sub-section (2) and (3) shall be deleted and sub-section (4), (5) and (6) shall be renumbered as (2), (3) and (4).



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 01:25 PM

3738884/2025/PARL.AFFAIRS-PAD



Amendment of section 13

4. In the principal Act, in section 13, for the words, "The first Vice Chancellor may be appointed by the Chancellor on the recommendation of a search committee by the Government" the following shall be substituted, namely:–

"The first Vice-Chancellor shall be appointed by the State Government. The Chancellor shall appoint the subsequent Vice-Chancellor on the recommendation of an Advisory Board which shall consist of three members, one each shall be nominated by the Chancellor, the Board of Management and the State Government. The Chancellor shall appoint one of them as the Chairman of the Advisory Board."

Amendment of section 24

5. In the principal Act, in section 24, in sub-section (4), the second proviso shall be deleted.

Amendment of section 35

6. In the principal Act, in section 35, in third line, for the words "ICAR" the words "Indian Council of Agricultural Research (ICAR) and Indian Veterinary Council" shall be substituted.

Amendment of section 36

7. In the principal Act, in section 36, in eleventh line, the words "such as "Krishi Vigyan Kendras, by whatever name called," shall be deleted.

Amendment of section 50

8. In the principal Act, for section 50, the following shall be substituted, namely:—

"Committee to settle the bifurcation of the colleges and institutions

50. (1) There shall be a Committee which shall settle the bifurcation of the colleges and institutions and the posts of teachers and staff thereunder and the assets and liability of the said colleges and institutions of the Assam Agricultural University.

(2) The Committee shall consists of the following members, namely:—

| | | |
|---|---|---|
| (i) | Chief Secretary, Assam | Chairman |
| (ii) | Agriculture Production Commissioner, Assam | Member |
| (iii) | Registrar, Assam Agricultural University | Member |
| (iv) | Dean of Veterinary College | Member |
| (v) | Dean of Fishery College | Member |
| (vi) | Senior Most Secretary, Veterinary Department | Member Secretary |
| (vii) | Senior Most Secretary Fishery Department | Member |



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 01:25 PM

(3) The Committee as mentioned above shall exercise such powers and functions as may be notified in the Official Gazette."

Amendment of section 54

9. In the principal Act, for section 54, the following shall be substituted, namely:

Transitional Provision

54. (1) The colleges and institutions originally under the Assam Agricultural University and the properties, assets and liabilities and existing posts and vacant posts of the said colleges and institutions shall be distributed amicably between the Assam Agricultural University and the Assam Veterinary and Fishery University by the Committee constituted under section 50.

(2) Any conflict and dispute between the Universities shall be settled by the Committee and the decision of the Committee in this respect shall be final and binding on both the Universities.

(3) After the settlement of the placing of colleges and institutions, their assets, liabilities, the posts of teachers and non-teaching staff and vacant posts between the Universities, the Committee shall prepare two lists, one, containing the name of the colleges and institutions that shall continue to be governed by the Assam Agriculture University, along with the assets and liabilities and the other, containing the names of the colleges, institutions and the assets and the liabilities that shall be placed under the newly created Veterinary and Fishery University and thereafter forward the two lists to the State Government for approval.

(4) The State Government after giving approval to the lists of the colleges and institutions and assets and liabilities shall notify the same in the Official Gazette.

(5) After bifurcation, the posts of the teachers and non-teaching staff of the earstwhile Agriculture University whose services shall be placed under the Assam Veterinary and Fishery University shall be governed by such new rules of service condition as maybe prescribed by the Assam Veterinary and Fishery University."

Amendment of section 55

10. In the principal Act, in section 55, for the words "Notwithstanding anything contained in this Act, every student of the colleges specified in sub section (1) of section 54 who immediately before the commencement of the Act", the words, "After publication of the notification in the Official Gazette placing the colleges and institutions under the Veterinary and Fishery University, as per sub section (3) of section 54, **every student who**," shall be substituted.



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 01:25 PM

3738884/2025/PARL.AFFAIRS-PAD



Amendment of section 56

11. In the principal Act, in section 56,

(i) for sub section (1), the following shall be substituted, namely:

(1) Every employee, immediately before publication of the notification under sub-section 3 of section 54, serving in the colleges and institutions under the Assam Agriculture University **but placed under the Assam Veterinary and Fishery University after publication of the notification, shall become the employee of the said University from the date of publication of the notification,** and shall cease to be an employee of the Assam Agriculture University.

(ii) in sub-section (2), in clause (a), for the words "As soon as may be, after the commencement of the Act the words As soon as may be, after publication of the notification under sub-section (3) of section 54" shall be substituted.

Omission of section 67

12. In the principal Act, section 67 shall be omitted.

GEETANJALI DAS SAIKIA,
Secretary to the Government of Assam,
Legislative Department, Dispur, Guwahati-6.



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 01:25 PM

3738884/2025/PARL.AFFAIRS-PAD



## ২০২৫ চনৰ ৬ নং অসম অধিনিয়ম
(২০২৫ চনৰ ৬ মে' তাৰিখে ৰাজ্যপালৰ দ্বাৰা স্বীকৃত)

# অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয় (সংশোধন) অধিনিয়ম, ২০২৫

## অধিনিয়ম
৬ মে', ২০২৫

অসম পশুচিকিৎসা আৰু মীন বিশ্ববিদ্যালয় অধিনিয়ম, ২০২৪ ক সংশোধন কৰিবলৈ এখন বিধেয়ক।

প্ৰস্তাৱনা — যিহেতু, অসম পশুচিকিৎসা আৰু মীন বিশ্ববিদ্যালয় অধিনিয়ম, ২০২৪, মূল অধিনিয়ম বুলি যাক ইয়াৰ পিছত অভিহিত কৰা হৈছে , ইয়াৰ পিছত উল্লেখ কৰা ধৰণেৰে সংশোধন কৰাটো কালোচিত; (২০২৪ ৰ অসম অধিনিয়ম নং XXI)

ইয়াৰ দ্বাৰা ভাৰত গণৰাজ্যৰ ছয়সত্তৰ সংখ্যক বৰ্ষত ইয়াক নিম্নলিখিত ধৰণে অধিনিয়মিত কৰা হৈছেঃ–

সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ — ১। (১) এই অধিনিয়মখন অসম পশুচিকিৎসা আৰু মীন বিশ্ববিদ্যালয় (সংশোধন) অধিনিয়ম, ২০২৫ বুলি অভিহিত হ'ব ।

(২) ইয়াৰ বিস্তাৰ মূল অধিনিয়মৰ দৰেই হ'ব।

(৩) ই তাৎক্ষণিকভাৱে বলৱৎ হ'ব।

ধাৰা ২ ৰ সংশোধন — ২। মূল অধিনিয়মত, ধাৰা ২ ত,

(i) খণ্ড (ক) ৰ পিছত, নিম্নলিখিত নতুন খণ্ড অন্তঃস্থাপিত হ'ব, যথাঃ–

"(কক) "মন্ত্ৰণা বোৰ্ড" মানে ধাৰা ১৩ ৰ অধীনত গঠিত বোৰ্ড;"

(ii) খণ্ড (ঘ) ৰ পিছত, নিম্নলিখিত নতুন খণ্ড অন্তঃস্থাপিত হ'ব, যথাঃ–

"(ঘঘ) "সমিতি" মানে এই অধিনিয়মৰ ধাৰা ৫০ৰ অধীনত গঠিত সমিতি।"

(iii) খণ্ড (গ) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথাঃ–

"(গ) "অংগীভূত মহাবিদ্যালয়" মানে বিশ্ববিদ্যালয়ৰ প্ৰত্যক্ষ পৰিচালনাৰ অধীনত থকা মহাবিদ্যালয়; "

(iv) খণ্ড (ঢ) গুচাই দিয়া হ'ব ।

ধাৰা ১১ ৰ সংশোধন — ৩। মূল অধিনিয়মত, ধাৰা ১১ ত,

(i) উপ-ধাৰা (১) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথাঃ–

"(১) উপাচাৰ্য্যৰ নিযুক্তি ধাৰা ১৩ অনুসৰি কৰা হ'ব। আচাৰ্য্যগৰাকীয়ে মন্ত্ৰণা বোৰ্ডৰ সদস্যসকলক পশুচিকিৎসা, পশুপালন, দুগ্ধ আৰু মীন বিজ্ঞানৰ ক্ষেত্ৰৰ পৰা মনোনীত কৰিব। "

(ii) উপ-ধাৰা (২) আৰু (৩) গুচাই দিয়া হ'ব আৰু উপ-ধাৰা (৪), (৫) আৰু (৬), উপ-ধাৰা (২), (৩) আৰু (৪) হিচাপে পুনঃ সংখ্যাঙ্কিত হ'ব।

ধাৰা ১৩ ৰ সংশোধন — ৪। মূল অধিনিয়মত, ধাৰা ১৩ ত, শব্দাৱলী, "প্ৰথম উপাচাৰ্য্যগৰাকীক আচাৰ্য্যই চৰকাৰৰ এক অনুসন্ধান সমিতিৰ পৰামৰ্শ অনুসৰি নিযুক্তি দিব পাৰে" , নিম্নলিখিত শব্দাৱলীৰে প্ৰতিষ্ঠাপিত হ'ব, যথাঃ–



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 01:25 PM

3738884/2025/PARL.AFFAIRS-PAD



"প্ৰথম উপাচাৰ্য্যগৰাকীক ৰাজ্য চৰকাৰে নিযুক্তি দিব। আচাৰ্য্যগৰাকীয়ে পৰৱৰ্তী উপাচাৰ্য্যগৰাকীক এক মন্ত্ৰণা বোৰ্ডৰ পৰামৰ্শ মৰ্মে নিযুক্তি দিব, যিখন তিনিজনৰ, একোজনকৈ, আচাৰ্য্য, কাৰ্য্যবাহী পৰিষদ আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা মনোনীত সদস্যৰে গঠিত হ'ব। আচাৰ্য্যগৰাকীয়ে তেওঁলোকৰ এজনক মন্ত্ৰণা বোৰ্ডৰ অধ্যক্ষ ৰূপে নিযুক্তি দিব।"

ধাৰা ২৪ ৰ সংশোধন

৫। মূল অধিনিয়মত, ধাৰা ২৪ ত, উপ-ধাৰা ৪ ত, দ্বিতীয় অনুবিধি গুচাই দিয়া হ'ব ।

ধাৰা ৩৫ ৰ সংশোধন

৬। মূল অধিনিয়মত, ধাৰা ৩৫ ত, তৃতীয় শাৰীত, শব্দাৱলী, "আই চি এ আৰ" ৰ সলনি, শব্দাৱলী "ভাৰতীয় কৃষি গৱেষণা পৰিষদ (আই চি এ আৰ) আৰু ভাৰতীয় পশুচিকিৎসা পৰিষদ" প্ৰতিষ্ঠাপিত হ'ব।

ধাৰা ৩৬ ৰ সংশোধন

৭। মূল অধিনিয়মত, ধাৰা ৩৬ ত, একাদশ শাৰীত, শব্দাৱলী, "যেনে কৃষি বিজ্ঞান কেন্দ্ৰ, যি নামেৰেই অভিহিত নহওঁক কিয়" গুচাই দিয়া হ'ব ।

ধাৰা ৫০ ৰ সংশোধন

৮। মূল অধিনিয়মত, ধাৰা ৫০ ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথাঃ–

"মহাবিদ্যালয় আৰু প্ৰতিষ্ঠান সমূহৰ দ্বিখণ্ডন নিষ্পত্তি সমিতি

৫০। (১) এখন সমিতি থাকিব যিখনে, অসম কৃষি বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয় আৰু প্ৰতিষ্ঠান কেইখনৰ দ্বিখণ্ডন আৰু ইয়াৰ অধীনৰ শিক্ষক আৰু কৰ্মচাৰীবৰ্গৰ পদসমূহ আৰু উক্ত মহাবিদ্যালয় আৰু প্ৰতিষ্ঠানসমূহৰ সম্পদ আৰু ধাৰসমূহৰ নিষ্পত্তি কৰিব ।

(২) সমিতিখন নিম্নলিখিত সদস্যসমূহৰ দ্বাৰা গঠিত হ'ব, যথাঃ–

| | | |
|---|---|---|
| (i) | মুখ্য সচিব, অসম | অধ্যক্ষ |
| (ii) | কৃষি উৎপাদন আয়ুক্ত, অসম | সদস্য |
| (iii) | পঞ্জীয়ক, অসম কৃষি বিশ্ববিদ্যালয় | সদস্য |
| (iv) | পশুচিকিৎসা মহাবিদ্যালয়ৰ গুৰু | সদস্য |
| (v) | মীন মহাবিদ্যালয়ৰ গুৰু | সদস্য |
| (vi) | জ্যেষ্ঠতম সচিব, পশুচিকিৎসা বিভাগ | সদস্য সচিব |

(৩) ওপৰত উল্লেখ কৰা সমিতিয়ে এনে ক্ষমতা প্ৰয়োগ আৰু কাৰ্য্যসমূহ চৰকাৰী ৰাজপত্ৰত যথা অধিসূচীত কৰা ধৰণেৰে সম্পাদিত কৰিব ।"

ধাৰা ৫৪ ৰ সংশোধন

৯। মূল অধিনিয়মত, ধাৰা ৫৪ ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথাঃ–

"অন্তৰ্বৰ্তী উপবন্ধ

৫৪। (১) যিবোৰ মহাবিদ্যালয় আৰু প্ৰতিষ্ঠান অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত আগতে আছিল, আৰু উক্ত মহাবিদ্যালয় আৰু প্ৰতিষ্ঠানসমূহৰ সম্পত্তি, সম্পদ আৰু ধাৰসমূহ আৰু বিদ্যমান পদ আৰু ৰিক্ত পদসমূহ ধাৰা ৫০ ৰ অধীনত গঠিত সমিতিৰ দ্বাৰা অসম কৃষি বিশ্ববিদ্যালয় আৰু অসম পশুচিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ মাজত সৌহাৰ্দপূৰ্ণভাৱে ভগাই দিয়া হ'ব।

(২) বিশ্ববিদ্যালয় দুখনৰ মাজৰ কোনো মতবিৰোধ আৰু বিবাদ সমিতিখনৰ দ্বাৰা নিষ্পত্তি কৰা হ'ব আৰু এই ক্ষেত্ৰত সমিতিখনৰ সিদ্ধান্তই চূড়ান্ত হ'ব আৰু দুয়োখন বিশ্ববিদ্যালয়ৰ ওপৰত বাধ্যতামূলক হ'ব।



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 01:25 PM

3738884/2025/PARL.AFFAIRS-PAD



(৩) মহাবিদ্যালয় আৰু প্ৰতিষ্ঠানসমূহৰ স্থান, তেওঁলোকৰ সম্পদ, ধাৰসমূহ, শিক্ষক আৰু অশৈক্ষিক কৰ্মচাৰীবৰ্গৰ পদসমূহ আৰু ৰিক্ত পদসমূহ বিশ্ববিদ্যালয় দুয়োখনৰ মাজত নিষ্পত্তিৰ পিছত, সমিতিখনে, দুখন তালিকা প্ৰস্তুত কৰিব, তাৰে এখনত মহাবিদ্যালয় আৰু প্ৰতিষ্ঠানসমূহৰ নাম, সম্পদ আৰু ধাৰসমূহৰ সৈতে সন্নিবিষ্ট কৰিব, যি কৃষি বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত হৈ থাকিব, আৰু আনখন, মহাবিদ্যালয়, প্ৰতিষ্ঠানসমূহৰ নাম আৰু সম্পদ আৰু ধাৰসমূহ সন্নিবিষ্ট কৰি নতুনকৈ সৃষ্টি কৰা পশুচিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ক ন্যস্ত কৰিব, আৰু ইয়াৰ পিছত দুয়োখন তালিকা ৰাজ্য চৰকাৰলৈ অনুমোদনৰ বাবে প্ৰেৰণ কৰিব।

(৪) ৰাজ্য চৰকাৰে মহাবিদ্যালয় আৰু প্ৰতিষ্ঠানসমূহ আৰু ইয়াৰ সম্পদ আৰু ধাৰসমূহৰ তালিকাক অনুমোদন দিয়াৰ পিছত, চৰকাৰী ৰাজপত্ৰত অধিসূচীত কৰিব।

(৫) দ্বিখণ্ডনৰ পিছত, পূৰ্বৰ কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষক আৰু অশৈক্ষিক কৰ্মচাৰীবৰ্গৰ পদসমূহ, যাৰ সেৱাসমূহ অসম পশুচিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ক ন্যস্ত কৰা হ'ব, তেওঁলোকৰ সেৱাৰ চৰ্তাৱলীসমূহ অসম পশুচিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ দ্বাৰা বিহিত কৰিব পৰা তেনে নতুন নিয়মাৱলীৰ দ্বাৰা পৰিচালিত হ'ব।"

ধাৰা ৫৫ ৰ সংশোধন

১০। মূল অধিনিয়মত, ধাৰা ৫৫ ত, শব্দাৱলী "এই অধিনিয়মত অন্তৰ্বিষ্ট যিকোনো কথা থকা সত্ত্বেও, ধাৰা ৫৪ ৰ উপ-ধাৰা (১) ত বিনিৰ্দিষ্ট মহাবিদ্যালয়সমূহৰ প্ৰতিজন ছাত্ৰ যি অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৎক্ষণিক পূৰ্বে", ৰ সলনি, শব্দাৱলী "চৰকাৰী ৰাজপত্ৰত অধিসূচনা প্ৰকাশৰ পিছত, ধাৰা ৫৪ ৰ উপ-ধাৰা (৩) অনুসৰি, পশুচিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ অধীনস্থ কৰা মহাবিদ্যালয় আৰু প্ৰতিষ্ঠানসমূহৰ প্ৰতিজন ছাত্ৰ যিয়ে," প্ৰতিস্থাপিত হ'ব।

ধাৰা ৫৬ ৰ সংশোধন

১১। মূল অধিনিয়মত, ধাৰা ৫৬ ত,

(i) উপ-ধাৰা (১) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথাঃ–

"(১) ধাৰা ৫৪ ৰ উপ-ধাৰা (৩) ৰ অধীনত অধিসূচনা প্ৰকাশৰ তাৎক্ষণিক পূৰ্বে, অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয় আৰু প্ৰতিষ্ঠানসমূহত কৰ্মৰত, কিন্তু অধিসূচনা প্ৰকাশৰ পিছত অসম পশুচিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ অধীনস্থ হোৱা প্ৰতিজন কৰ্মচাৰী, অধিসূচনা প্ৰকাশৰ তাৰিখৰ পৰা উক্ত বিশ্ববিদ্যালয়ৰ কৰ্মচাৰী হ'ব, আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ কৰ্মচাৰী হৈ নাথাকিব।"

(ii) উপ-ধাৰা (২) ৰ, খণ্ড (ক) ত, শব্দাৱলী "অধিনিয়মৰ প্ৰাৰম্ভণৰ পিছত, যথাশীঘ্ৰে" ৰ সলনি, শব্দাৱলী "ধাৰা ৫৪ ৰ উপ-ধাৰা (৩) ৰ অধীনত অধিসূচনা প্ৰকাশৰ পিছত, যথাশীঘ্ৰে" প্ৰতিষ্ঠাপিত হ'ব।

ধাৰা ৬৭ ৰ লোপকৰণ

১২। মূল অধিনিয়মত, ধাৰা ৬৭ লোপ পাব।

গীতাঞ্জলী দাস শইকীয়া,
সচিব, অসম চৰকাৰ
বিধান বিভাগ, দিশপুৰ গুৱাহাটী-৬।

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 539 - 50 + 10 - 09 - 05 - 2025. (visit at– dpns.assam.gov.in)



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 01:25 PM